Krishna Kanta Handiqui State Open University

MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

লিপি আৰু পাঠ সমীক্ষা

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৫=১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ধ্বনিমূলক লিপি বুলিলে কি বুজে? উদাহৰণসহ বুজাই লিখক।

(খ) 'পাঠ-পুনর্মূল্যায়ন' মানে কি? ইয়াৰ সম্পৰ্ক কিহৰ লগত?

(গ) পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা কি বুলি বিবেচনা কৰে? বুজাই লিখক।

(ঘ) পাঠৰ অধি সমীক্ষা পদ্ধতিটোৰ বিষয়ে চমুকৈ লিখক।

(ঙ) অসমীয়া ভাষাত পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰা প্ৰথমখন পুথিৰ নাম কি আৰু এই পুথিখন কাৰ সম্পাদনাত প্ৰকাশ পাইছিল?

(চ) ভাৰতবৰ্ষত পাঠ-সমীক্ষা পদ্ধতিটোৱে কেতিয়াৰ পৰা গুৰুত্ব লাভ কৰিবলৈ লৈছিল?

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×৩=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) লিপিৰ এটা গ্ৰহণযোগ্য সংজ্ঞা নিৰূপণ কৰি ইয়াৰ উদ্ভৱ সম্পৰ্কে এটি আলচ যুগুত কৰক।

(খ) ভূতিবর্মাৰ বৰগংগা শিলালিপিৰ মূল পাঠাংশ লিখি সেয়া নিজৰ ভাষাত প্ৰকাশ কৰক।

(গ) পাঠ-সমীক্ষাক বিজ্ঞান বুলি ক'ব পাৰিনে? যুক্তি আগবঢ়াওক।

(ঘ) অসমত পুৰণি পুথিৰ পাঠ-সমস্যা সম্পৰ্কে চমুকৈ লিখক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×৩=১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) চমুটোকা লিখক —
সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপি

(খ) 'কানাই বৰশী বোৱা তুৰষ্কক্ষয়'ৰ শিলালিপিৰ বিষয়ে এটি আলচ যুগুত কৰক।

(গ) পাঠ সমীক্ষাৰ এটি সাধাৰণ পৰিচয় দিবলৈ যত্ন কৰক।

(ঘ) অসমীয়া সমীক্ষিত পাঠৰ এটি চমু পৰিচয় দাঙি ধৰক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×৪=৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ এটি ৰূপৰেখা অংকণ কৰক।

(খ) মধ্যযুগীয় অসমীয়া লিপি সম্পৰ্কে বহলাই আলোচনা কৰক।

(গ) আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত সপ্তদশ আৰু অষ্টাদশ শতিকাৰ লিপি কেইখনৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(ঘ) 'পাঠ-প্ৰমাদ' বুলিলে কি বুজে? উদাহৰণসহ এই বিষয়ে এটি নিবন্ধ লিখক।

(ঙ) 'ভাৰতবৰ্ষত পাঠ সমীক্ষাৰ পৰম্পৰা' শীৰ্ষক বিষয়ত এটি প্ৰবন্ধ যুগুত কৰক।

—— × ——